**Regional News Unit**

AKASHVANI, Guwahati

**Date : 10-08**-2025

**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

--------------------

সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ত্ৰিৰংগ যাত্ৰা উলিওৱা হৈছে। বিশ্বনাথ জিলাত আজি বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, সাকোমাথা মণ্ডল বিজেপিৰ সভাপতি ৰঞ্জন ৰাউতিয়াকে ধৰি প্ৰায় তিনি শতাধিক লোকে এই ত্ৰিৰংগ যাত্ৰাত অংশ লয়। ডিব্ৰুগড় জিলাতো আজি মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। ডিব্ৰুগড় পশ্চিম মণ্ডল বিজেপিৰ উদ্যোগত উলিওৱা এই ত্ৰিৰংগ যাত্ৰাত বহুসংখ্যক লোকে দেশপ্ৰেমমূলক ধবনি আৰু শ্ল’গানে দি শোভাযাত্ৰা কৰে।

ooooo

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে সোণাৰি বিলত বন বিভাগৰ উদ্যোগত কালিৰেপৰা গছপুলি ৰোপণ কৰা হৈছে। কালি ১৫ হাজাৰ উৰিয়াম গছৰ পুলি ৰোপণ কৰা হয়। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে, যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈও সম্প্ৰসাৰণ কৰা হ’ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। বনবিভাগে লগতে দখলমুক্ত কৰা অঞ্চলসমূহত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ কাৰ্যসূচী চলি থাকিব বুলিও জনাইছে।

0000

কাজিৰঙাৰ দুখনকৈ প্ৰাচীন বিল কাজিৰঙা আৰু হুকুমা পুনৰ উজ্জীৱিত কৰাৰ বাবে বছৰজুৰি হ’বলগীয়া বহনক্ষম উন্নয়ন আৰু পৰ্যটনৰ প্ৰকল্পৰ প্ৰাৰম্ভিক কামৰ বুজ ল’বলৈ কালি নাবাৰ্ড অসমৰ মহাপ্ৰৱন্ধক ক্যোমৰ জাৱেদ কাজিৰঙাত উপস্থিত হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা বনাঞ্চলৰ দাঁতি কাষৰীয়া ৰাজহ এলেকাত অৱস্থিত ক্ৰমাৎ পোত খাই অহা এই ঐতিহাসিক বিল দুখন খান্দি জল সংৰক্ষণ প্ৰাকৃতিক পৰিৱেশ সুস্থিৰ কৰাৰ লগতে স্থানীয় লোকৰ বহনক্ষম উন্নয়নৰ বাবে নাবাৰ্ডে এই বিল দুখনৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, ২০১৬ চনত বিল দুখনৰ সংৰক্ষণৰ বাবে খননৰ প্ৰস্তাৱ লোৱা হৈছিল যদিও বিভিন্ন কাৰণত সম্ভৱ হৈ উঠা নাছিল। কালি মহাপ্ৰৱন্ধক ক্যোমৰ জাৱেদ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী ঘোষৰ উপস্থিতিত কাজিৰঙা হুকুমা বিল সংৰক্ষণ আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ সৈতে মিলিত হয় আৰু প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। বিল দুখন পৰিদৰ্শন কৰি নাবাৰ্ডৰ মহাপ্ৰৱন্ধকগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, অতি কম দিনৰ ভিতৰত এই প্ৰকল্প ৰূপায়ণ কৰি জল সংৰক্ষণৰ লগতে বহনক্ষম উন্নয়ন সম্ভৱ হৈ উঠিব।

ooooo

ৰাজ্যিক কেবিনেটে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমিৰ ম্যাদী পট্টা প্ৰদান প্ৰক্ৰিয়াত অনুমোদন জনাইছে। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ ৩৬ হাজাৰ বিদ্যালয়, মহাবিদ্যালয়, নামঘৰ, ক্লাব, চৰকাৰী কাৰ্যালয় আৰু স্বেচ্ছাসেৱী সংস্থাক চৰকাৰী ভূমি দখলৰ বিপৰীতে ম্যাদী পট্টা প্ৰদানত অনুমোদন জনোৱা হৈছে। কেবিনেটৰ অনুমোদনৰ পাছতেই যিসমূহ চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে ম্যাদী পট্টা অবিহনে চৰকাৰী ভূমি দখল কৰি আছিল, সেইসমূহ আবেদনকাৰী অনুষ্ঠানলৈ ৰাজহ বিভাগে ম্যাদী পট্টা আৱণ্টনৰ জাননী জাৰি কৰিছে। ৰাজহচক্ৰ বিষয়াই জাৰি কৰা নিৰ্দেশনাত মিছন বসুন্ধৰাৰ অধীনত ভূমিৰ ম্যাদী পট্টাৰ বাবে ধাৰ্য্য কৰা মাচুলৰ বিষয়েও উল্লেখ কৰা হৈছে। এই মাচুল পৰিশোধ কৰাৰ পাছতহে ভূমিৰ ম্যাদী পট্টা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হব বুলি ৰাজহ বিভাগৰ জাননীত স্পষ্ট কৰি দিয়া হৈছে।

০০০০

ডিব্ৰগড় জিলাৰ মোহনাঘাটত আজি এটা নাও দুৰ্ঘটনাৰ পৰা কথমপি যাত্ৰীসকলৰ প্ৰাণ ৰক্ষা পৰে। ব্ৰহ্মপুত্ৰত মাছ মাৰিবলৈ যোৱা নাওখনত পাঁচজন মাছমৰীয়া আছিল। টুলুঙা নাওখন পানীত ডুব যোৱাৰ ক্ষন্তেক পাছ্তে এছ্ ডি আৰ এফ বাহিনী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহায়ত নদীৰ পৰা আটাইকেইজন মাছমৰীয়াক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

00000

যোৰহাট জিলা আয়ুক্ত জয় শিৱানী আৰু আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই আজি লাহিং শুকানজান ভ্ৰমণ কৰি নৱগঠিত মৰিয়নি সমজিলা আয়ুক্ত কাৰ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ইয়াৰ লগতে তেওঁলোকে সমাগত স্বাধীনতা দিৱসৰ প্ৰস্তুতি বুজ লোৱাৰ উদ্দেশ্যে লাহিং গ্ৰাণ্ট হাইস্কুলৰ খেলপথাৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত যোৰহাটৰ অতিৰিক্ত জিলা আয়ুক্তৰ লগতে উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০

সদৌ অসম ক্ষুদ্ৰ খেতিয়ক সন্থাৰ মুখপত্ৰ **সেউজ সোণ**ৰ প্ৰথম বৰ্ষৰ দ্বিতীয় সংখ্যাটো আজি যোৰহাটত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। যোৰহাটৰ টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ সভাকক্ষত আজি **চাহ উদ্যোগৰ সংকট আৰু প্ৰত্যাৱৰ্তন** শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত সন্থাৰ সভাপতি ৰাজেন বৰা, ভাৰতীয় চাহ বোৰ্ডৰ উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত কাৰ্যবাহী সঞ্চালক অৰুণিতা ফুকন যাদৱৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

সমাপ্ত